"বাঃ! আপুনি তেনেহ'লে আইনষ্টাইনতকৈও ডাঙৰ বিজ্ঞানী হৈ যাব!"

"কি ঠিক, হৈ যাবও পাৰোঁ!"

"তেনেহ'লে আপুনি ন'বেল প্ৰাইজো পাব?"

"পাই যাবও পাৰোঁ।"

শৰ্মাৰ পৰিবাৰ তাচ্ছিল্যৰ হাঁহি এটা মাৰি পাকঘৰত সোমালগৈ।

এসপ্তাহ পাছৰ কথা। শৰ্মাই ৰাতিপুৱাৰ চাহ-জলপান খাই বাৰীত ভেণ্ডী পুলি খুঁচৰি আছিল। তেনেতে ঘৈণীয়েকে উধাতু খাই আহি তেওঁক ক'লেহি—"হেৰি, শইকীয়ানীয়ে এইমাত্ৰ ফোন কৰি এটা বৰ ডাঙৰ কথা ক'লে।"

"কি কথাহে? এই সময়ত কৰ'নাৰ কথাতকৈ আন কিবা ডাঙৰ কথা থাকিব পাৰে জানো?"—শৰ্মাই কামৰ পৰা মূৰ নুতুলিলে। ঘৈণীয়েকে এইবাৰ পৃথিৱীৰ আটাইতকৈ ডাঙৰ, গোপন কথাটো কোৱাৰ দৰে শৰ্মাক যেতিয়া কথাটো ক'লে, তেওঁৰ মুখত বিজয়ীৰ হাঁহি ফুটি উঠিল। কিন্তু শৰ্মাই নিৰুদ্বেগচিত্তে ক'লে—"এইটো কথা মই আগতেই জানো।"

"কিন্তু কেনেকৈ জানিলে?"

"এইটো কথা বৰুৱানীক ময়েই কৈছিলোঁ।"

"কি?"

"অঁ।"

"কিন্তু কথাটো যে মোক শইকীয়ানীয়েহে ক'লে!"

"সেইটোৱেইতো মোৰ গৱেষণাৰ বিষয় আছিল!"

"মই আপোনাৰ কথা মাথা-মুণ্ড একো বুজা নাই।"

"বুজাই দিলেহে বুজি পাবা!"

"বুজাই দিয়ক আকৌ!"

শৰ্মাই ঘৈণীয়েকক বুজাই দিলে—তেওঁৰ গৱেষণাৰ বিষয় আছিল—তিৰোতা মানুহৰ পেটত যে কথা নাথাকে, সেই বেমাৰটো প্ৰতিষ্ঠা কৰা। শৰ্মাই বৰুৱানীক কথাটো কাকো নক'বলৈ দঢ়াই দঢ়াই অনুৰোধ কৰিছিল যদিও তিৰোতা মানুহৰ এই সহজাত বেমাৰটোৰ কাৰণে বৰুৱানীয়ে কথাটো পেটত ধৰি ৰাখিব নোৱাৰিলে। কিন্তু কথাটো পোনে পোনে বৰুৱানীৰ পেটৰ পৰা ওলাই শৰ্মানীৰ কাণত নপৰিলহি। অৰ্থাৎ শৰ্মাই আশা কৰাতকৈও তেওঁৰ গৱেষণা বেছি ফলপ্ৰসূ হ'ল। বৰুৱানীয়ে প্ৰথমে কথাটো ক'লে চলিহানীক, চলিহানীয়ে ভূঞানীক, ভূঞানীয়ে ডেকানীক, ডেকানীয়ে কলিতানীক, কলিতানীয়ে বৰঠাকুৰনীক, বৰঠাকুৰনীয়ে বেজবৰুৱানীক, বেজবৰুৱানীয়ে গগৈয়নীক, গগৈয়নীয়ে শইকীয়ানীক আৰু শইকীয়ানীয়ে শৰ্মানীক। কথাটো কোৱাৰ পাছত প্ৰতিগৰাকীয়ে ব্যৱহাৰ কৰা কমন বাক্য দুটা হ'ল—আপুনি কিন্তু কথাটো কাকো নক'ব দেই! আপোনাক বিশ্বাসতহে কৈছোঁ।

কিন্তু কথা হ'ল—শৰ্মাই বৰুৱানীক এনেকুৱা কি কথা কৈছিল—যিটো কথা তেওঁ পেটত ধৰি ৰাখিব নোৱাৰিলে! কথাটো হ'ল—যিসকল গৃহিণীয়ে গিৰিয়েকহঁতৰ মানিবেগৰ পৰা মনে মনে পইচা সৰকায়, সেইসকল গৃহিণীৰ গাত কৰ'না বেমাৰ সোনকালে লম্ভে। কথাটো পিছে সম্পূৰ্ণ মিছা, শৰ্মাৰ কল্পনা শক্তিয়ে সৃষ্টি কৰাহে। শৰ্মাই জানিছিল এনেকুৱা এষাৰ কথাইহে তেওঁৰ গৱেষণাক সুফল দিব পাৰিব। পিছে কেঁচু খান্দোতে সাপ ওলাল। ইয়াৰ পাছত বৰুৱানীৰ পৰা আৰম্ভ কৰি শৰ্মানীলৈকে আটাইকেইগৰাকী তিৰোতায়েই ভয়ত থৰহৰি কম্পমান হৈ থাকিল। কিয়, সেই কথা পাঠক-পাঠিকাসকলক ভাঙি নক'লেও বুজি পাব নিশ্চয়!

ঠিকনা ঃ গাঁও ঃ ভলাগুৰি সত্ৰ, ডাক ঃ পূবথৰীয়া-৭৮২১৩৭, নগাঁও, ফোন ঃ ৯৮৬৪৭০৮৭১৫

---

# আপদীয়া পদ্য

১.

স্বাস্থ্য মন্ত্ৰীয়ে সুস্বাস্থ্যৰ বাবে মন্দিৰলৈ যায়
স্বাস্থ্য খণ্ডত মধ্যভোগীয়ে টিঘিলঘিলায়
ইলেকশ্যনৰ বতৰ ভাল
পৰীক্ষা পাতিলেহে আহুকাল
নাৰ্ছিংহোমৰ বিল দেখিলেই কৰ'না পলায়।

২.

প্ৰথম প্ৰভাততে ছাৰে প্ৰাতঃভ্ৰমণ কৰি
ফে'ছবুকত প'ষ্ট দিয়ে মিঠা হাঁহি মাৰি
মূল্যবৃদ্ধিৰ মাধমাৰ
বিভাগৰ নাই কাণসাৰ
ঘৰতে বটল যোগাবলৈ লাগিছে উঠি-পৰি।

৩.

এছ অ' পি, এছ অ' পি বুলি প্ৰশাসনলৈ চাই
বেহা-বেপাৰ ডুবিল মাতোঁতাহে নাই
নেতা-মন্ত্ৰীয়ে কৰিলে লীলা
ৰাইজে কৰিলে ধৰি কিলা
হিতাধিকাৰী হোৱাহে কথা সুৰুঙা এটা পাই।

**জয়ন্ত দত্ত,**
ঘৰ নম্বৰ-২, শংকৰদেৱ পথ, এন এইচ-৩৭,
জালুকবাৰী, ইণ্ডিয়ান অইল পেট্ৰল পাম্পৰ সন্মুখত,
গুৱাহাটী-৭৮১০১৪

* * *

১.

পৃথিৱী গৰকি আমি মহাকাশ জিনো
চন্দ্ৰত ভৰি থৈ মঙলত মাটি কিনো।
আত্মগৰ্ব দাম্ভিকতা
জোকাৰি যায় সভ্যতা
মাটি এৰি মানুহৰ গতি নাইকিয়া
প্ৰকৃতিৰ লগত সৰে মিলিজুলি থাকা।

২.

মাস্কড মেন বুলি কৰিছিলোঁ বিদ্ৰূপ
সভ্যতাই হৈ গ'ল হঠাতে তদ্ৰূপ
মুখত ঢাকনি হাতত মোজা
পকেট হ'লগৈ ছেনিটাইজাৰৰ ঝুলা
পাহৰি গ'ল হেণ্ডশ্বেক আহি গ'ল নমস্কাৰ
দূৰে দূৰে থাকি সকলো হৈ ৰ'ল তমস্কাৰ।

**হৰ্ষবৰ্ধন বৰা,**
ব্ৰহ্মজান, গহপুৰ, বিশ্বনাথ-৭৮৪১৭২,
ফোন ঃ ৭০৮৬৩৬৩৭৯৭

* * *

গৃহবন্দী বাবেই দাড়ি-চুলি হ'ল ভোবোকাৰ
চিনিবই নোৱাৰি সিয়েই যে ভবেন কৰ্মকাৰ
বাহিৰত থকা পুতেক আহি
সুধিলে তাকেই কাহি কাহি
ককা, দেউতা ক'লৈ গ'ল, লগাই দিলে হাহাকাৰ।

**শংকৰ শৰ্মা,**
অময়াপুৰ, বগলছ ৰ'ড চ'ক,
নলবাৰী-৭৮১৩৫৮, ফোন ঃ ৭০০২৩৬২৮৩০

* * *

১.

আছেনে তোমাৰ পদপথত খোজ কঢ়াৰ অভিজ্ঞতা
যি পদপথৰ আছে মুখ খুলি কথা কোৱাৰ স্বাধীনতা
এবাৰ পৰীক্ষা কৰি চাব পাৰা
যদি আছে জীৱন বীমা কৰা
গুৱাহাটীতে আছে এনে বিনামূলীয়া সুবিধা,
ধন্য কৰদাতা।

২.

দেখিছানে কেতিয়াবা বোকাৰ খেতি
নতুবা নলাৰ পানীৰে হোৱা লটিঘটি
যদি দেখা নাই
এবাৰ যাবা চাই
এয়া আমাৰ আপোন মহানগৰ গুৱাহাটী।

৩.

খালী গাড়ী, খালী গাড়ী ছিটি বাছৰ মুখে মুখে
উঠে ৰোল
বাছৰ ভিতৰ সোমালেহে বুজিবা কথাযাৰিৰ
কিমান মোল
ভৰি আৰু মূৰ বক্ৰৰেখা কৰি
যোৱা কিবা কৰি হৰিক সুঁৱৰি
পুৰস্কাৰ তাৰে বৰ্ধিত বাছ ভাৰা, চৰকাৰে
বজায় ফটা ঢোল।

**কমলজিৎ কলিতা,**
দক্ষিণ শৰণীয়া, হেমগিৰি পথ,
ডাক ঃ উলুবাৰী, গুৱাহাটী-৭৮১০০৭,
ফোন ঃ ৯৮৬৪১০৮৪০৯